নং ঃ ৯৭/২০২০

## ৪১ টা খণ্ডৰ অসম শিশু সাহিত্য কোষ উন্মোচন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## শিশুৰ মনত মানৱীয় প্ৰমূল্যবোধ জগাই তোলা সাহিত্য সৃষ্টি কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৯ ফেব্ৰুৱাৰী ঃ** 'শিশুসকলক আদৰ, মৰম-স্নেহ আৰু গুৰুত্ব নিদিয়াকৈ এখন শক্তিশালী সমাজ গঢ় দিয়াৰ কথা ভাবিব নোৱাৰি। শৈশৱতে শিশুক ভাল-বেয়াৰ বিচাৰ আৰু মানৱীয় শিক্ষা দিব লাগিব। যি সাহিত্যৰ দ্বাৰা শিশুৰ কোমলীয়া মনটো সজীৱ হৈ উঠে আৰু মানৱীয় প্ৰমূল্যবোধ জাগ্ৰত হয় তেনে সাহিত্য সৃষ্টি কৰিব লাগিব। এই ক্ষেত্ৰত অসম শিশু সাহিত্য কোষ নিঃসন্দেহে এক উল্লেখযোগ্য পদক্ষেপ।' কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উদ্যোগত প্ৰকাশিত ৪১ টা খণ্ডৰ অসম শিশু সাহিত্য কোষ উন্মোচন কৰি এই উপলক্ষে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ল'ৰালি কালতে পোৱা নীতি শিক্ষা জীৱনত চিৰস্থায়ী হয়। এই শিক্ষাৰ প্ৰাসংগিকতা জীৱনত সকলো সময়তে থাকে। আজিৰ প্ৰতিযোগিতামুখী বিশ্বত আগুৱাই যাবলৈ শিশু সকলৰ যোগ্যতাৰ লগতে সততাও থাকিব লাগিব। এই সততা তেওঁলোকে মাতৃ-পিতৃৰ পৰা আহৰণ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে আশা প্ৰকাশ কৰে যে আজি উন্মোচিত এই গ্ৰন্থই শিশু সকলৰ মনত ভাল-বেয়াৰ বিচাৰ তথা মানৱীয় প্ৰমূল্যবোধ জগাই তোলাত বিশেষভাৱে সফল হ'ব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পদক্ষেপৰ শলাগ লৈ মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আজিৰ যুগটো প্ৰতিযোগিতাৰ আৰু শিশু সকলকো প্ৰতিযোগিতামুখী মানসিকতাৰে গঢ় দিব লাগিব। ইতিবাচক মানসিকতা, ভাল কাম, ভাল চিন্তা আৰু ভাল পৰিৱেশ নিৰ্মাণ কৰিবলৈ শিশু সকলে যাতে উদ্‌গণি লাভ কৰে সেই ৰূপৰেখা প্ৰতিফলিত কৰা শিশু সাহিত্য সমাজত সৃষ্টি কৰিব লাগিব। সাম্প্ৰতিক কালত সমাজলৈ বহু প্ৰত্যাহ্বান আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে যোগ্যতাৰে তেনে প্ৰত্যাহ্বানৰ প্ৰত্যুত্তৰ দিব লাগিব। নীতি শিক্ষা, মূল্যবোধ আৰু মানৱীয় প্ৰমূল্যবোধৰ সাঁকো নিৰ্মাণ কৰি বৰ্তমান সময়ৰ প্ৰত্যাহ্বান মোকাবিলা কৰিব লাগিব বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। তেওঁ লগতে শিশু সকলক কঠোৰ পৰিশ্ৰমৰে জীৱনৰ বাটত সফল হোৱা ব্যক্তিৰ জীৱন কাহিনী অধ্যয়ন কৰিবলৈ আহ্বান জনাই কয় যে সফলতাৰ বাবে জীৱনত কঠোৰ পৰিশ্ৰমৰ গত্যন্তৰ নাই। মুখ্যমন্ত্ৰী সোণোৱালে যি শিক্ষাৰ দ্বাৰা ভাল মানুহ সৃষ্টি কৰিব পাৰি, এখন আদৰ্শ সমাজ সৃষ্টি কৰিব পাৰি তেনে সাহিত্য সৃষ্টি কৰিবলৈ আহ্বান জনায়। তেওঁ শিশুসকলক নিয়মানুবৰ্তিতা, শৃংখলাবদ্ধতা আৰু চৰিত্ৰ নিৰ্মাণত বিশেষ গুৰুত্ব দিবলৈ পৰামৰ্শ আগবঢ়ায়।

বৰ্তমান সময়ত বহুতো শিশু আৰু কিশোৰ মাদক দ্ৰব্যৰ কবলত পৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ইয়াৰ ফলত বহু পৰিয়ালত অশান্তিৰ সৃষ্টি হৈছে। অন্ধবিশ্বাস আৰু কু-সংস্কাৰে সমাজৰ বহু লোকক আগুৰি আছে। ইয়াৰ পৰা মুক্ত হ'বলৈ মন ফৰকাল কৰিব লাগিব। এই ক্ষেত্ৰত

মুখ্যমন্ত্ৰী সোণোৱালে মানুহৰ মন, কৰ্ম আৰু চিন্তা পৰিস্কাৰ কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীৰ হাতত এক মহৎ কাৰ্য অৰ্পণ কৰিছে বুলিও মন্তব্য কৰে। এই লক্ষ্য বাস্তৱায়িত কৰি সুস্থ-সৱল সমাজ নিৰ্মাণ কৰাৰ যাত্ৰাত সহযোগিতাৰে সকলোকে আগবাঢ়ি যাবলৈ সোণোৱালে আহ্বান জনায়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইন্টাৰনেট ব্যৱহাৰ সম্পৰ্কে অধিক সজাগতা সৃষ্টিৰ প্ৰয়োজনীয়তা আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সামাজিক মাধ্যমৰ ভুল ব্যৱহাৰৰ বাবে বহু সময়ত সমাজত নানা সমস্যাৰ সৃষ্টি হৈছে। সেয়েহে, এই ক্ষেত্ৰত শিশুসকলক অধিক সচেতন কৰাৰ প্ৰয়োজন আছে। মানৱ জীৱনত ভয় আৰু ভক্তি থাকিবই লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়িত্ৰী সকল হৈছে সমাজৰ দুই মহাশক্তি। এই মহাশক্তিয়ে শিশুসকলৰ ভৱিষ্যৎ নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ দায়িত্ব গ্ৰহণ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে চৰকাৰৰ কাম-কাজৰ ওপৰত চোকা দৃষ্টি ৰখাৰ বাবেও ৰাইজক আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা তথা অসম শিশু সাহিত্য কোষৰ সম্পাদনা সমিতিৰ উপদেষ্টা হৃষীকেশ গোস্বামীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতৰ পংক্তি আওৰাই কয় যে কোমলীয়া বয়সতে শিশুক নৈতিকতাৰ জ্ঞান দি জীৱন যুঁজৰ বাবে সৱল ৰূপত গঢ়ি তুলিব লাগিব। তেখেতে কয় যে এখন জ্ঞানগৰ্ভ সমাজ গঢ়ি তুলিবলৈ শিশু সাহিত্যৰ ওপৰত গুৰুত্ব দিব লাগিব। শিশু সকল হৈছে এক বিশেষ সত্ত্বা আৰু তেওঁলোকৰ মনত অনুসন্ধিৎসাৰ জন্ম দিয়াৰ খুবেই প্ৰয়োজন। শিশু সাহিত্যৰ মাধ্যমেদি তেনে জ্ঞান দিব পৰা সাহিত্য সৃষ্টিৰ বাবে শিশু সাহিত্যিক সকলে প্ৰচেষ্টা ল'ব লাগে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে শিশু সাহিত্য কোষ প্ৰকাশৰ জৰিয়তে সেই কথাৰ যথাৰ্থতা প্ৰমাণ কৰিছে বুলি উল্লেখ কৰি মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে শিশু সাহিত্য সৃষ্টি কৰিব নোৱাৰিলে ভাল পঢুৱৈ গঢ়িব নোৱাৰি। ৪১ টা খণ্ডৰ এই শিশু সাহিত্য কোষ নিঃসন্দেহে এক মহৎ পদক্ষেপ বুলি মন্তব্য কৰি তেখেতে আশা প্ৰকাশ কৰে যে অদূৰ ভৱিষ্যতে শিশু সাহিত্য বিশ্ব কোষৰ কামো সম্পন্ন কৰাটো সম্ভৱ হৈ উঠিব।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে শিশু সকল হৈছে দৈৱ শক্তি। তেওঁলোকে যিকোনো বস্তু বেলেগ ধৰণে ভাৱে। শিশু সকলৰ মনবোৰ নিষ্পাপ। তেওঁলোকৰ মনস্তত্বত জীৱ-জন্তুৰেও কথা পাতে। প্ৰথম অসমীয়া শিশু সাহিত্য গীতৰ মাধ্যমেদি ৰচিত হৈছিল বুলি উল্লেখ কৰি মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে পৰৱৰ্তী সময়ত এই সাহিত্য গদ্যলৈ ৰূপান্তৰিত হ'ল।

শিশু সাহিত্যৰ বিকাশৰ বাবে পৃষ্ঠপোষকতাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে অসম শিশু প্ৰকাশন পৰিষদৰ জৰিয়তে শিশু সাহিত্যৰ প্ৰসাৰৰ দিশত সাংসদ হৈ থকাৰ সময়তে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশেষ সহযোগিতা আগবঢ়াইছিল।

অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ হিতেশ ডেকাই অসম শিশু সাহিত্য কোষ প্ৰকাশৰ সমগ্ৰ প্ৰক্ৰিয়াটোৰ ওপৰত আলোকপাত কৰে। তেখেতে কয় যে বিশ্ববিদ্যালয় সমূহ কেৱল মাত্ৰ মানপত্ৰ দিয়া অনুষ্ঠান হ'ব নালাগে, এইবোৰ ৰাইজৰ দ্বাৰা লালিত-

পালিত হ'ব লাগে। অসম শিশু সাহিত্য কোষ প্ৰকল্প ৰূপায়ণৰ বাবে অসম চৰকাৰে আগবঢ়োৱা আৰ্থিক সাহায্যৰ তেখেতে শলাগ লৈ কয় যে এই কোষৰ ডিজিটেল সংৰক্ষণৰ বাবেও ব্যৱস্থা লোৱা হৈছে। আঢ়ৈ বছৰজোৰা কষ্টসাধ্য প্ৰচেষ্টাৰ অন্তত দেশৰ ভিতৰতে সম্ভৱত প্ৰথম এই শিশু সাহিত্য কোষ প্ৰকাশ কৰা সম্ভৱ হৈছে বুলি উপাচাৰ্য ডেকাই মন্তব্য কৰে।

বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড০ অমৰজ্যোতি চৌধুৰীয়ে শলাগৰ শৰাই আগবঢ়োৱা এই গ্ৰন্থ উন্মোচন অনুষ্ঠানত অসম শিশু সাহিত্য কোষৰ সম্পাদনা সমিতিৰ সৈতে জড়িত বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, শিক্ষাবিদ খগেন্দ্ৰ নাথ শৰ্মা, দিগন্ত ওজা, শান্তনু তামুলী, জ্যোতি খাটনিয়াৰ প্ৰমুখ্যে ৰাজ্যৰ বহু প্ৰথিতযশা শিশু সাহিত্যিককে ধৰি গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ**
**২৯/০২/২০২০**